**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-02-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। ৰাজ্যপালৰ অভিভাষণেৰে আজি কোকৰাঝাৰত অসম বিধানসভাৰ বাজেট অধিৱেশন আৰম্ভ।

২। এপ্ৰিলৰ ভিতৰত ৰাভা হাচং স্বায়ত্ত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক কেবিনেটত সিদ্ধান্ত। জৰীপ কৰা হ'ব চৰ অঞ্চলৰ ভূমি।

৩। ৰাজ্যৰ অষ্টমখন ৰাষ্ট্ৰীয় উদ্যান হিচাপে **ছিখনা জহৌলাওৰ** স্বীকৃতিত অসম মন্ত্ৰীসভাৰ অনুমোদন।

৪। দেশজুৰি আজিৰে পৰা ফাষ্টটেগৰ নতুন কৰ নীতি কাৰ্যকৰী। **আৰু**

৫। মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি দেলহী কেপিটেলছ ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ মুখামুখি।

০০০০০০

অসম বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী আজি কোকৰাঝাৰত অনুষ্ঠিত হ'ব। বিটিচিৰ বিধায়িনী ভৱনত দুপৰীয়া ১২ বজাত ৰাজ্যপালৰ ভাষণেৰে অধিৱেশনৰ কাৰ্যসূচী আৰম্ভ হ'ব। বিধানসভাৰ বিশেষ অধিৱেশনৰ বাবে কোকৰাঝাৰ নগৰ সজাই পৰাই তোলা হৈছে। বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে মন্ত্ৰী-বিধায়কসকল আজি পুৱাই কোকৰাঝাৰলৈ ৰাওনা হৈছে। তেওঁলোকে বাছেৰে গৈ কোকৰাঝাৰত উপস্থিত হৈ অধিৱেশনত অংশগ্ৰহণ কৰিব। এই অধিৱেশনত ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত অঞ্চলসমূহৰ প্ৰশাসনীয় ব্যৱস্থাৰ উন্নয়নকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ দিশ উত্থাপন কৰা হ'ব। উল্লেখযোগ্য যে বাজেট অধিৱেশনৰ বাকী কেইদিনৰ কাৰ্যসূচী গুৱাহাটীৰ অসম বিধানসভা ভৱনত অনুষ্ঠিত হ'ব। কোকৰাঝাৰত বাজেট অধিৱেশনৰ প্ৰথম দিনৰ কাৰ্যসূচীৰ প্ৰস্তুতি সন্দৰ্ভত আমাৰ কোকৰাঝাৰৰ সংবাদদাতা প্ৰীতম ব্ৰহ্ম চৌধুৰীয়ে এইদৰে কয়- **(বাইট)**

ৰাজ্যপালৰ অভিভাষণ আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰই দিনৰ ১২ বজাৰ পৰা পোনপটীয়াকৈ প্ৰচাৰ কৰিব। এই অনুষ্ঠান ৰাজ্যৰ আটাইবোৰ আকাশবাণী কেন্দ্ৰই ৰিলে কৰিব। ৰাজ্যপালৰ ভাষণৰ পাছতে আমাৰ বাতৰি প্ৰচাৰ কৰা হ'ব।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজিৰ দিনটো বড়োলেণ্ডবাসী তথা অসমবাসীৰ বাবে ঐতিহাসিকভাৱে অতি গুৰুত্বপূৰ্ণ বুলি মত প্ৰকাশ কৰিছে।

০০০০০০

অসম মন্ত্ৰীসভাই অহা এপ্ৰিলৰ ভিতৰত ৰাভা-হাচং স্বায়ত্ব পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। আনহাতে মিচিং স্বায়ত্ব পৰিষদ, ঠেঙাল-কছাৰী স্বায়ত্ব পৰিষদ, সোণোৱাল কছাৰী স্বায়ত্ব পৰিষদ, দেউৰী স্বায়ত্ব পৰিষদ আৰু বড়ো কছাৰী স্বায়ত্ব পৰিষদৰ নিৰ্বাচন অহা ছেপ্তেম্বৰত অনুষ্ঠিত কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি দিছপুৰত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

মন্ত্ৰীসভাই ১৪ এপ্ৰিলৰ পৰা চৰকাৰী অধিসূচনা আৰু নিৰ্দেশনাসমূহ ইংৰাজীৰ লগতে অসমীয়া ভাষাত প্ৰকাশ কৰাৰ বাবেও সিদ্ধান্ত লৈছে। ৰাজ্য চৰকাৰে অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণ সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৃন্দৰ সৈতে কৰা আলোচনা অনুসৰি এই দফা ৰূপায়ণৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা নেতৃত্বাধীন সমিতিৰ প্ৰতিবেদনৰ ৰাজ্য চৰকাৰে ৰূপায়ণ কৰিবলৈ সমৰ্থ ৫২ টা পৰামৰ্শৰ ভিতৰত ৩৮ টা ৰূপায়ণ প্ৰক্ৰিয়াত দুয়োপক্ষই সহমতত উপনীত হয়। এই অনুসৰি ৰাজ্যখনৰ পুৰণি আইন, বিধিসমূহ অসমীয়ালৈ ভাষান্তৰৰ বাবে সমিতিখনে প্ৰতিবেদনত উল্লেখ কৰা পৰামৰ্শ অনুসৰি গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ক এই ভাষান্তৰৰ দায়িত্ব অৰ্পন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

**(বাইট ঃ মুখ্যমন্ত্ৰী)**

বৈঠকৰ অন্তত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ অনুসৰি অসম মন্ত্ৰীসভাই চৰ অঞ্চলৰ ভূমিসমূহৰ জৰীপ কৰাৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰিছে। মন্ত্ৰীসভাৰ বৈঠকত তিৱা স্বায়ত্ত শাসিত পৰিষদৰ সদস্যৰ সংখ্যা ৩৬ৰ পৰা ৪২ লৈ বৃদ্ধিৰ সিদ্ধান্ত লোৱা হয়। আয়ুৰ্বেদিক চিকিৎসক হিচাপে নতুনকৈ নিযুক্তি লাভ কৰি চৰকাৰী চিকিৎসালয়ত কৰ্মৰত চিকিৎসকসকলক তিনিবাৰকৈ আগতীয়া দৰমহা বৃদ্ধি কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজ্যখনত সেউজ শক্তি উৎপাদনৰ বাবে সংহত নীতি ৰূপায়ণতো মন্ত্ৰীসভাই অনুমোদন জনাইছে। ৰহা আৰু জাগীৰোডৰ মাজত ৫৭০ বিঘা ভূমি সামৰি এখন বহুমুখী উদ্যোগিক পাম নিৰ্মাণৰ বাবে মন্ত্ৰীসভাৰ বৈঠকত অনুমোদন জনোৱা হৈছে। একেদৰে বড়োলেণ্ডত স্বামী বিবেকানন্দ ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপনৰ বাবে কেবিনেটে মঞ্জুৰী প্ৰদান কৰে। কোকৰাঝাৰ আৰু চিৰাং জিলাত অৱস্থিত ৩১৬ বৰ্গ কিলোমিটাৰ অঞ্চলত জৈৱ বৈচিত্ৰ্য সুৰক্ষিত কৰাৰ বাবে **ছিখনা জহৌলাও** ৰাষ্ট্ৰীয় উদ্যানৰ অধিসূচনাত কালি কেবিনেটে অনুমোদন জনায়। কেবিনেটৰ এই সিদ্ধান্তৰ পাছতে ৰাজ্যত ৰাষ্ট্ৰীয় উদ্যানৰ সংখ্যা ৮ লৈ বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই সন্দৰ্ভত কয়, যে মধ্যপ্ৰদেশত বৰ্তমান ১০ খন ৰাষ্ট্ৰীয় উদ্যান আছে। ৮ খন ৰাষ্ট্ৰীয় উদ্যানেৰে অসম এতিয়া দেশৰ ভিতৰতে দ্বিতীয় সৰ্বাধিক ৰাষ্ট্ৰীয় উদ্যান থকা ৰাজ্য হিচাপে পৰিগণিত হোৱা বুলি তেওঁ উল্লেখ কৰে।

ইপিনে, ভাৰত বিৰোধী কাৰ্যকলাপত জড়িত পাকিস্তানৰ আলী শ্বেখ নামৰ ব্যক্তিজনৰ সৈতে সাংসদ গৌৰৱ গগৈৰ পত্নী এলিজাবেথ গগৈয়ে যোগাযোগ ৰক্ষা কৰা বুলি উত্থাপিত অভিযোগ সন্দৰ্ভত কালি মন্ত্ৰীসভাত আলোচনাৰ পাছত ৰাজ্যৰ লগতে দেশৰ আইন শৃংখলা পৰিস্থিতিলৈ লক্ষ্য ৰাখি আলী শ্বেখ নামৰ লোকজনৰ বিৰুদ্ধে ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধানৰ অধীনত তদন্তৰ বাবে মন্ত্ৰীসভাই অনুমোদন জনায়।

০০০০০০

নাগালেণ্ডৰ ন্যায়িক বিষয়া য়াৰেংজুংলা লংকুমেৰে আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰিব। উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণুৰে আজি দিনৰ ১০ বজাত ন্যায়ালয়ৰ নতুন ভৱনৰ ১ নম্বৰ আদালতত আয়োজিত এটা অনুষ্ঠানত শ্ৰীমতী লংকুমেৰক শপতগ্ৰহণ কৰোৱাব। উল্লেখযোগ্য যে যোৱা ১২ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ পৰামৰ্শমৰ্মে শ্ৰীমতী লংকুমেৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে দুবছৰীয়া কাৰ্যকালৰ বাবে নিযুক্তি দিছিল। ইয়াৰ পূৰ্বে যোৱা বছৰৰ জানুৱাৰীত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ সঞ্জীৱ খান্না আৰু বি আৰ গাভাইৰে গঠিত কলেজিয়ামে শ্ৰীমতী লংকুমেৰৰ লগতে আন এগৰাকী অধিবক্তাক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তিৰ বাবে পৰামৰ্শ দিছিল। নাগালেণ্ডৰ পৰা

প্ৰথমগৰাকী উচ্চ ন্যায়ালয়ৰ মহিলা ন্যায়াধীশ হিচাপে নিযুক্তি লাভ কৰা লংকুমেৰক নাগালেণ্ডৰ ন্যায়িক সংস্থাই অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০০

দেশজুৰি আজিৰে পৰা ফাষ্টটেগৰ নতুন কৰ নীতি কাৰ্যকৰী হৈছে। নেচনেল পেমেণ্টছ্ কৰ্পৰেচন অৱ ইণ্ডিয়া আৰু পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে টোলগে'টসমূহত যান-বাহনৰ কৰ সংগ্ৰহ ব্যৱস্থাৰ ক্ষেত্ৰত আজিৰে পৰা কিছু সালসলনি কৰিছে। এই অনুসৰি কৰ সংগ্ৰহৰ বৈদ্যুতিন ব্যৱস্থা ফাষ্টটেগত নিৰ্দিষ্ট পৰিমাণতকৈ কম ধনৰাশি থাকিলে, লেনদেনত বিলম্ব হ'লে নতুবা টেগসমূহ নিষ্ক্ৰিয় হৈ থাকিলে অতিৰিক্ত কৰ আদায় কৰা হ'ব। তদুপৰি টোলগে'ট পাৰ হোৱাৰ এঘণ্টা পূৰ্বে আৰু পাৰ হোৱাৰ ১০ মিনিট পিছত ফাষ্টটেগ নিষ্ক্ৰিয় হৈ থাকিলেও ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় মহিলা আৰু শিশু কল্যাণ দপ্তৰৰ মন্ত্ৰী অন্নপূৰ্ণা দেৱী যাদৱে কালি ডিব্ৰুগড়ত মহিলা আৰু শিশু কল্যাণ সম্পৰ্কীয় বিভিন্ন আঁচনিৰ বিষয়ে পৰ্যালোচনা কৰে। ডিব্ৰুগড় আৱৰ্ত ভৱনত অনুষ্ঠিত সংবাদমেলত মন্ত্ৰী শ্ৰীমতী যাদৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক আঁচনিৰ বিষয়ে উল্লেখ কৰে। ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে এই বাজেটে দেশৰ উন্নয়নৰ লক্ষ্য প্ৰাপ্তিত বিশেষ ভূমিকা ল'ব বুলি উল্লেখ কৰে। মহিলাসকলৰ সবলীকৰণৰ বাবে ৪ লাখ কোটিৰো অধিক টকা আবণ্টন দিয়াৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে বাল্য বিবাহ ৰোধ কৰাকে ধৰি কেইবাটাও ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। মহিলা আৰু শিশুৰ কল্যাণৰ বাবে সমাজৰ সক্ৰিয় অংশগ্ৰহণৰ প্ৰয়োজন আছে বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ মহিলা সবলীকৰণ, পৰিপুষ্টি, শৌচাগাৰ নিৰ্মাণ আৰু আৰ্থ-সামাজিক বিকাশ সম্পৰ্কীয় চৰকাৰৰ বিভিন্ন পদক্ষেপৰ বিষয়ে আলোকপাত কৰে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বন্যপ্ৰাণী সংৰক্ষণ আৰু সংৰক্ষণ কৰ্মীৰ দক্ষতা বিকাশৰ বাবে যোৱা ১১ ফেব্ৰুৱাৰীৰ পৰা আয়োজিত ছদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ সামৰণি পৰিছে। কেন্দ্ৰীয় চৰকাৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়, ইণ্টাৰনেচনেল বিগ কেট এলায়েঞ্চ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ উদ্যোগত আয়োজিত এই কৰ্মশালাত সমল ব্যক্তি হিচাপে ইণ্টাৰনেচনেল বিগ কেট এলায়েঞ্চৰ ড০ সত্যপ্ৰসাদ যাদৱ, অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত প্ৰধান মুখ্য বন সংৰক্ষক এন কে বসু, হাড়গিলা সংৰক্ষণৰ বাবে কাম কৰি অহা গ্ৰীণ অস্কাৰ বিজেতা ড০ পূৰ্ণিমা দেৱী বৰ্মন, বিশ্ব প্ৰকৃতি নিধিৰ জ্যেষ্ঠ সমন্বয়ক অনুপম শৰ্মাৰ লগতে কেইবগৰাকীও বিশেষজ্ঞই অংশগ্ৰহণ কৰে। ইয়াৰ লগতে কঁহৰাত থকা বিভাগীয় হাতীৰ পিলখানাত ৰাজ্যিক বন্যপ্ৰাণী আয়োগৰ সদস্য কৌশিক বৰুৱা আৰু হস্তী বিশেষজ্ঞ পদ্মশ্ৰী সন্মানেৰে সন্মানিত পাৰ্বতী বৰুৱাই হাতী প্ৰতিপালন আৰু প্ৰকৃতিৰ বিষয়ে অৱগত কৰে। বিশ্বৰ ২৭ খন দেশৰ ৪৪ গৰাকী প্ৰতিনিধিয়ে এই অনুষ্ঠানত অংশ লৈছিল। ইৰাণ, আফ্ৰিকা, ভূটান, মালয়েছিয়া, শ্ৰীলংকা, কেনিয়াকে ধৰি দেশসমূহৰ প্ৰতিনিধিসকলে এই ছদিন কাজিৰঙাত থাকি ৰাষ্ট্ৰীয় উদ্যানৰ সংৰক্ষণ ব্যৱস্থা, চোৰাংচিকাৰ ৰোধ কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা, গৱেষণা পদ্ধতি, পানী ধৰি ৰখাৰ ব্যৱস্থাকে ধৰি বিভিন্ন বিষয়ত প্ৰশিক্ষণ গ্ৰহণ কৰে।

০০০০০০

বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনৰ ৩৮টা পৰামৰ্শৱলীৰ ক্ষেত্ৰত আছু-চৰকাৰৰ সহমত, কোকৰাঝাৰত অনুষ্ঠিত অসম বিধানসভাৰ বাজেটৰ প্ৰথম দিনা উদ্বোধনী কাৰ্যসূচীৰ বাতৰি আজি আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শনিবাৰে নিশা নতুন দিল্লীৰ ৰে'ল ষ্টেচনত সংঘটিত হেঁচা-ঠেলাত পদপিষ্ট হৈ মহিলা আৰু শিশুকে ধৰি কমেও ১৮ জন লোক নিহত হোৱাৰ লগতে ভালেসংখ্যক লোক আহত হয়। এই বাতৰিটো ভিন ভিন শিৰোনামেৰে দৈনিক অসম, দৈনিক জনমভূমি, অসমীয়া খবৰ, আমাৰ অসম, নিয়মীয়া বাৰ্তা, দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰে।

ড'নাল্ড ট্ৰাম্প প্ৰশাসনে যোৱা শনিবাৰে নিশা দ্বিতীয় পৰ্যায়ত ১১৬ জন ভাৰতীয়ক আমেৰিকাৰ পৰা ভাৰতলৈ ওভতাই পঠিয়াইছে। এই বাতৰিটো আমাৰ অসম কাকতে **পুনৰ শিকলি লগাই ভাৰতীয়ক বিতাড়ন, বন্ধ মাৰ্কিন অনুদানো** শিৰোনামেৰে প্ৰকাশ কৰিছে। এই একেটা বাতৰি অসমীয়া প্ৰতিদিন, দৈনিক অগ্ৰদূত আদি কাকতেও প্ৰকাশ কৰিছে।

কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ লগতে তেওঁৰ পত্নী এলিজাবেথ গগৈক লৈ শেহতীয়াকৈ সৃষ্টি হোৱা অভিযোগ তথা বিতৰ্কৰ বিষয়টো কালি অসম মন্ত্ৰীসভাৰ বৈঠকত আলোচনা কৰা হয়। এই সন্দৰ্ভত দৈনিক অগ্ৰদূত কাকতে **গৌৰৱ গগৈ-পত্নীৰ বিতৰ্কক আইনৰ আওতালৈ নিয়াৰ সিদ্ধান্ত কেবিনেটত** শিৰোনামেৰে প্ৰকাশ কৰিছে। এই একেটা বাতৰি প্ৰায়কেইখন কাকতে বিভিন্ন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটী ক্লাব-নুনমাটি সংযোগী উৰণ সেতুৰ নিৰ্মাণ কাৰ্যত ব্যৱহৃত এখন হাইড্ৰা বাহনৰ খুন্দাত গৃহৰক্ষী বাহিনীৰ এজন জোৱানৰ মৃত্যু হয়। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰকাশ কৰিছে।

দক্ষিণ যোৰহাটৰ ৰৰয়া চৰাইবাহীৰ ডাঃ জানুমণি সেনাপতিয়ে এম ডি মাইক্ৰ' বায়'ল'জী বিষয়ত অসমৰ ভিতৰত প্ৰথম স্থান দখল কৰে। এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দুৰ্নীতিৰে টকাৰ পাহাৰ গঢ়া এগৰাকী চৰকাৰী উচ্চ পদস্থ বিষয়াৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ব্যৱস্থা গ্ৰহণ কৰিব বুলি ঘোষণা কৰে। এই সন্দৰ্ভত অসমীয়া খবৰ কাকতে **১০ দিনৰ ভিতৰত দুৰ্নীতিগ্ৰস্ত আৰক্ষীৰ বিৰুদ্ধে কঠোৰ সিদ্ধান্ত** শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

অসম চৰকাৰে কালি ৫৬৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰে। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

৭ খন স্বায়ত্ব শাসিত পৰিষদ আইনৰ সংশোধনীত ৰাজ্যিক মন্ত্ৰীসভাই অনুমোদন দিছে। দৈনিক অসম কাকতে এই বাতৰিটোক **নিৰ্বাচন নোহোৱা পৰ্যন্ত বৃদ্ধি কৰা হ'ব সাত পৰিষদৰ কাৰ্যকাল** শিৰোনামেৰে প্ৰকাশ কৰিছে।

আহক এতিয়া আমি পুনৰ মাজলৈ উভতি যাও।

০০০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিয়োগিতাৰ আজিবদোদৰাৰ কোটাম্বি ষ্টেডিয়ামত ডেলহী কেপিটেলছ ৰয়েল চেলেঞ্জাৰছ বেংগালুৰুৰ মুখামুখি হব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

কালি নিশা একেখন ষ্টেডিয়ামতে অনুষ্ঠিত আন এখন খেলত গুজৰাট জায়েন্টছে ইউ পি ৱাৰিয়ৰ্জক ৬ উইকেটত পৰাস্ত কৰে। গুজৰাট জায়েণ্টছে ১৮ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৪৪ ৰানৰ লক্ষ্যত উপনীত হয়। খেলখনত অধিনায়ক এছলি গাৰ্ডনাৰে ৫২ ৰান সংগ্ৰহ কৰে। এছলি গাৰ্ডনাৰক খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান প্ৰদান কৰা হয়। ডিএণ্ড্ৰা ডটিনে অপৰাজিত

৩৩ ৰান আৰু হাৰ্লিন ডিওলে ৩৪ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে গুজৰাট জায়েণ্টছে টছত জয়লাভ কৰি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছিল। প্ৰথমে বেটিং কৰি ইউ পি ৱাৰিয়ৰ্জে নিৰ্ধাৰিত 20 অভাৰত ৯ টা উইকেটৰ বিনিময়ত ১৪৩ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ দীপ্তী শৰ্মাই ৩৯ ৰান আৰু উমা চেত্ৰীয়ে ২৭টা বলত ২৪ ৰান সংগ্ৰহ কৰে। প্ৰিয়া মিশ্ৰই খেলখনত তিনিটা উইকেট দখল কৰে।

০০০০০০

ভাৰতীয় তেল নিগমৰ অধীনৰ বঙাইগাঁও শোধনাগাৰ উপনগৰীৰ দুখন উদ্যান তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত পঞ্চদশ পুষ্প মেলা আৰু প্ৰদৰ্শনীৰ যোৱা নিশা সামৰণি পৰে। যোৱা ১৪ ফেব্ৰুৱাৰীৰ সন্ধিয়া ভাৰতীয় তেল নিগমৰ বঙাইগাঁও শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক তথা শোধনাগাৰ মুৰব্বী এন কে বৰুৱাই এই মেলা উদ্বোধন কৰিছিল। পুষ্প প্ৰদৰ্শনীথলীত বিভিন্ন ধৰণৰ পাচলি আৰু ফুলৰ প্ৰজাতিক লৈ প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। এই মেলাত বিগত ৩ দিনত বহুলোকৰ সমাগম ঘটে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী আৰু পাছলৈ বতৰ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশ, অসম, নাগালেণ্ড আৰু ত্ৰিপুৰাত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। মেঘালয়, মিজোৰাম আৰু মণিপুৰত ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ লগতে ঠাই বিশেষে কম-বেছি পৰিমাণে কুঁৱলী পৰাৰ সম্ভাৱনা আছে।

০০০০০০

সমাপ্ত